**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-10-2024
**Time :** 1205 Hrs.

***Assamese Bulletin***

----------------------------

ৰাজ্যিক কেবিনেটে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায় অহা ১৯ অক্টোবৰৰ পৰা আৰম্ভ কৰাত অনুমোদন জনাইছে। এই পৰ্যায়ৰ বাবে অহা ৩১ ডিচেম্বৰলৈকে আবেদন গ্ৰহণ কৰা হ'ব। বসুন্ধৰাৰ দ্বিতীয় পৰ্যায়ত নিষ্পত্তি নোহোৱা আবেদনৰ ক্ষেত্ৰত অনুসূচিত জাতি, জনজাতি, চাহ জনগোষ্ঠী, প্ৰাক্তন চাহ জনগোষ্ঠী, আদিবাসী আৰু গোৰ্খা জনগোষ্ঠীৰ বাবে তিনিটা প্ৰজন্মৰ প্ৰমাণ-পত্ৰৰ ক্ষেত্ৰত ৰেহাই দিয়া হ'ব। আনহাতে, ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগেয়ে শৰণাৰ্থী হিচাপে ৰাজ্যত প্ৰৱেশ কৰা লোকসকলেও এই ৰেহাই লাভ কৰিব। ইপিনে, এই আঁচনিৰ অধীনত ভূমিৰ শ্ৰেণী পৰিৱৰ্তনৰ বাবে পূৰ্বে এবাৰহে অনুমতি দিয়াৰ ব্যৱস্থাৰ ঠাইত আগলৈ এনে কোনো বাধ্যবাধকতা নাথাকিব।

ইপিনে, পঞ্চায়ত আৰু উন্নয়ন খণ্ডৰ সীমা পুনৰনিৰ্ধাৰণতো ৰাজ্যিক কেবিনেটে অনুমোদন দিছে। বিধানসভা আৰু লোকসভাৰ সমষ্টি পুনৰনিৰ্ধাৰণৰ পৰিপ্ৰেক্ষিতত বিধানসভা সমষ্টি অনুসৰি পঞ্চায়ত আৰু উন্নয়ন খণ্ডবোৰৰো সীমা নিৰ্দিষ্ট কৰাৰ বাবে চৰকাৰে এই সীমা পুনৰনিৰ্ধাৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সীমা পুনৰনিৰ্ধাৰণৰ পাছত পূৰ্বৰ দুহেজাৰ ১৯৭খন গাঁও পঞ্চায়তৰ তিনিখন বিলোপ হৈ গাঁও পঞ্চায়তৰ সংখ্যা দুহেজাৰ ১৯৪খন হ'ব। একেদৰে চাৰিখন আঞ্চলিক পঞ্চায়তৰ বিলোপ ঘটি পুনৰনিৰ্ধাৰিত আঞ্চলিক পঞ্চায়ত ১৮১খন হ'ব। ইপিনে, জিলা পৰিষদৰ সমষ্টিৰ সংখ্যা ২৩টা হ্ৰাস পাই পুনৰনিৰ্ধাৰণৰ পাছত ৩৯৭টা হৈছেগৈ। পূৰ্বে জিলা পৰিষদৰ সমষ্টিৰ সংখ্যা ৪২০ আছিল। আনহাতে উন্নয়ন খণ্ডৰ সংখ্যা পূৰ্বৰ দৰে ১৮১টাই থাকিব।

০০০০০০০

ৰাজ্য চৰকাৰে সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইনৰ অধীনত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ আৰু শিৱসাগৰ জিলাক অশান্ত অঞ্চল হিচাপে গণ্য কৰাৰ ম্যাদ আৰু ছমাহৰ বাবে বৃদ্ধি কৰা হ'ব বুলি প্ৰকাশ কৰিছে। এই আইনখন যোৱা ১ এপ্ৰিলৰ পৰা ছমাহৰ বাবে জিলাকেইখনত বলবৎ কৰা হৈছিল। যোৱা তিনিটা বছৰত ৰাজ্যৰ সামগ্ৰিক পৰিস্থিতি উন্নতি ঘটিছে যদিও শেহতীয়াকৈ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত সৃষ্টি হোৱা অশান্তি আৰু আভ্যন্তৰীণ আইন-শৃংখলাজনিত পৰিস্থিতিৰ প্ৰতি দৃষ্টি ৰাখি অসমতো ইয়াৰ প্ৰভাৱ পৰাৰ আশংকাত ৰাজ্য চৰকাৰে আইনখনৰ ম্যাদ বৃদ্ধি কৰাৰ পৰামৰ্শ আগবঢ়াইছে। এই সংক্ৰান্তত ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ ওচৰত এটা প্ৰস্তাৱ দাখিল কৰিছিল। গৃহ মন্ত্ৰালয়ে এই প্ৰস্তাৱৰ সন্দৰ্ভত অঞ্চলটোত পৰৱৰ্তী ছমাহৰ বাবে স্থিতাৱস্থা বাহাল ৰখাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্যপালে এই চাৰিখন জিলা পুনৰ ছটা মাহৰ বাবে অশান্ত অঞ্চল হিচাপে ঘোষণা কৰি আইনখন বাহাল ৰখাৰ সিদ্ধান্ত ঘোষণা কৰিছে।

০০০০০০০

শাৰদীয় দুৰ্গা পূজা উপলক্ষে সমগ্ৰ ৰাজ্যজুৰি উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। বিগত কিছুদিন ধৰি ৰাজ্যত বৰষুণ হোৱাৰ পৰিপ্ৰেক্ষিতত এইবাৰ পূজাৰ উৎসাহ কিছু স্তিমিত হোৱা দেখা গৈছিল যদিও বতৰ ফৰকাল হোৱাৰ লগে লগে ৰাজ্যবাসীৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে পূজা-মণ্ডপসমূহ আটকধুনীয়াকৈ আলোকসজ্জাৰে সজ্জিত কৰা হৈছে। ইপিনে, ইতিহাস প্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এটা বাৰ্তাত শাৰদীয় দুৰ্গোৎসৱৰ এই পৱিত্ৰ ক্ষণত ৰাজ্যবাসীৰ মংগল কামনাৰে দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ শ্ৰীচৰণত প্ৰণিপাত জনাই প্ৰতিগৰাকী লোকেই দেৱীৰ আশিসপুষ্ট হৈ নৱ নৱ চিন্তা-চেতনাৰে উজলি উঠাৰ কামনা কৰে।

ইপিনে, **গুৱাহাটী** মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ উপাসনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। চি চি টি ভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে ৪৫০ খনৰো অধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে। শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়, উজান বজাৰৰ উগ্ৰতাৰা দেৱালয়, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি ইতিহাস প্ৰসিদ্ধ স্থানসমূহত পূজা উপলক্ষে পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। **শিৱসাগৰ** জিলাতো পূজা মণ্ডপসমূহত স্বনামধন্য শিল্পীসকলৰ ছবি অংকন কৰি সজাই-পৰাই তোলাৰ লগতে শক্তিৰূপা দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে জনসাধাৰণ সাজু হৈছে।

০০০০০০০

ভাৰত আজি ডুবাইত হ'বলগীয়া মহিলাৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ **এ**ৰ নিজৰ তৃতীয়খন খেলত শ্ৰীলংকাৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। একেটা স্থানত হ'বলগীয়া প্ৰতিযোগিতাৰ আন এখন খেলত স্কটলেণ্ড দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে তিনি বজাত আৰম্ভ হ'ব।

০০০০০০০

ভাৰত আৰু বাংলাদেশৰ মাজৰ তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটো শৃংখলাৰ ১-০ ফলাফলত আগবাঢ়ি আছে। ভাৰতে গোৱালিয়ৰত অনুষ্ঠিত প্ৰথমখন খেলত ৭ উইকেটত জয়লাভ কৰিছিল।

০০০০০০০

সমাপ্ত